# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 26-02-2025
**Time:** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

- - - - - - - - - - - - - - -

১।	এডভাণ্টেজ আছামৰ দ্বিতীয় দিনাও ৰাজ্য চৰকাৰৰ কেইবাখনো বুজাবুজিৰ চুক্তিত স্বাক্ষৰ। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অসমত সামুদ্ৰিক উৎকৰ্ষ কেন্দ্ৰ স্থাপনৰ প্ৰতিশ্ৰুতি।

২।	অসমে শক্তি সুৰক্ষাৰ ক্ষেত্ৰত সুকীয়া ধাৰা প্ৰৱৰ্তন কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী হৰদীপ সিং পুৰীৰ মন্তব্য।

৩।	ভূটানৰ উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলৰ আজি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক সাক্ষাৎ।

৪।	মহা শিৱৰাত্ৰি উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভোলানাথৰ আৰাধনা।	**আৰু**

৫।	আই চি চি চেম্পিয়নছ ট্ৰফীৰ গ্ৰুপ-বিৰ এখন খেলত আফগানিস্তানৰ ইংলেণ্ডক জয়ৰ বাবে ৩২৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ।

ooooo

বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন এডভাণ্টেজ আছামৰ আজি দ্বিতীয় দিনাও কেইবাটাও দেশী-বিদেশী ঔদ্যোগিক প্ৰতিষ্ঠানৰ সৈতে ৰাজ্য চৰকাৰে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। ৰাজ্য চৰকাৰ আৰু ষ্টাৰ চিমেণ্ট লিমিটেডৰ মাজত সম্পাদিত চুক্তি অনুযায়ী কোম্পানীটোৰ অধীনৰ ষ্টাৰ চিমেণ্ট নৰ্থ-ইষ্ট লিমিটেডে ৩ হাজাৰ ২০০ কোটি টকা বিনিয়োগেৰে অসমত চিমেণ্ট ক্লিংকাৰ আৰু গুড়ি কৰা প্ৰকল্প স্থাপন কৰিব। একেদৰে ৰাজ্য চৰকাৰ আৰু গ্ল'বেল হেল্থ লিমিটেড মেডান্তাই আজি ৫০০ কোটি টকা ব্যয়েৰে বিভিন্ন ৰোগৰ চিকিৎসাৰ বাবে এখন অত্যাধুনিক মাল্টিস্পেচিয়েলিটী হাস্পতাল স্থাপনৰ বাবে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। ৰাজ্য চৰকাৰ আৰু মেথ্‌চন হাইড্ৰ'গ্ৰীণ প্ৰাইভেট লিমিটেডৰ মাজত এহেজাৰ ৫০০ কোটি টকা ব্যয়সাপেক্ষে অসমত এটা বছৰি ৯৫ কিলো টন উৎপাদন ক্ষমতাসম্পন্ন হাইড্ৰ'জেন আৰু ষ্টিম উৎপাদন প্ৰকল্প স্থাপনৰ বাবে চুক্তি সম্পাদিত হয়।

এই শীৰ্ষ সন্মিলনত আজি কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে **পথ পৰিবহণ, ৰে'লৱে আৰু জাহাজ পৰিবহণ** শীৰ্ষক বিষয়ভিত্তিক এখন সত্ৰত ভাষণ দিয়ে।

**বাইট (নীতিন গাডকাৰী)**

এই সত্ৰত ভাষণ দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সমৃদ্ধিৰ মূল ছাবিকাঠি হৈছে যোগাযোগ ব্যৱস্থা আৰু কেন্দ্ৰীয় চৰকাৰে বিগত সময়ছোৱাত এই খণ্ডত বিশেষভাৱে গুৰুত্ব দিছে। মুখ্যমন্ত্ৰীয়ে তেওঁৰ ভাষণত পাৰাদ্বীপ-নুমলীগড় পাইপলাইন অভিলাষী প্ৰকল্প, গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰ কথা উল্লেখ কৰে। নতুন ছয় লেনযুক্ত গুৱাহাটী বাইপাছে বিমান বন্দৰলৈ যাত্ৰা ৩০ মিনিটলৈ হ্ৰাস কৰিব বুলি উল্লেখ কৰি ড০ শৰ্মাই লগতে কয়, যে সোণাপুৰ-গুৱাহাটী ছয় লেনযুক্ত পথে জাগীৰোড আৰু গুৱাহাটী বিমান

বন্দৰৰ মাজৰ যাত্ৰাৰ সময় ৪৫ মিনিটলৈ হ্ৰাস কৰিব। তেওঁ নুমলীগড় আৰু গহপুৰৰ মাজত নিৰ্মাণ কৰিলগীয়া পানীৰ তলৰ সুৰংগ পথৰ অভিলাষী প্ৰকল্পৰ কথাও উল্লেখ কৰে।

**বাইট (চি এম)**

এই কাৰ্যসূচীতে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে মুখ্যমন্ত্ৰীয়ে গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অহা ৫ বছৰত বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ৰ অধীনত ৪ হাজাৰ ৮০০ কোটি টকা ব্যয় সাপেক্ষে অসমত এটা সামুদ্ৰিক উৎকৰ্ষ কেন্দ্ৰ স্থাপনৰ প্ৰতিশ্ৰুতি দিয়ে।

০০০০০

অসমে শক্তি সুৰক্ষাৰ ক্ষেত্ৰত সুকীয়া ধাৰা প্ৰৱৰ্তন কৰিছে আৰু অনাগত সময়ত এই খণ্ডত ৰাজ্যখনৰ ভূমিকা বৃদ্ধি পাব বুলি কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে প্ৰকাশ কৰিছে। গুৱাহাটীত অনুষ্ঠিত উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন দ্বিতীয় এডভাণ্টেজ আছামৰ আজি দ্বিতীয় দিনা **অসমৰ শক্তি সম্ভাৱনাৰ পূৰ্ণ ব্যৱহাৰ ঃ ভৱিষ্যতৰ বাবে প্ৰস্তুত তেল আৰু গেছ আন্তঃগাঁথনি নিৰ্মাণ, উদ্ভাৱন আৰু বিনিয়োগ** সম্পৰ্কীয় বিষয়ভিত্তিক সত্ৰত অংশ লৈ মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। এই সত্ৰৰ অংশ হিচাপে উদ্যোগপতি আৰু উদ্যমীসকলৰ এটা বৃহৎ সমাবেশত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতৰ দৰে অৰ্থব্যৱস্থাৰ কাৰণে শক্তিৰ উপলব্ধ উৎসসমূহ ব্যৱহাৰ কৰাটো অতিকে গুৰুত্বপূৰ্ণ। সেউজ হাইড্ৰ'জেনক ভৱিষ্যতৰ ইন্ধন আৰু ৰূপান্তৰকাৰী বুলি অভিহিত কৰি শ্ৰী পুৰীয়ে কয়, যে সেউজ হাইড্ৰ'জেনৰ মূল্য হ্ৰাস কৰিব পাৰিলে ই শক্তি ব্যৱহাৰৰ প্ৰেক্ষাপট সলনি কৰিব। জৈৱ ইন্ধন মিশ্ৰণৰ সন্দৰ্ভত শ্ৰী পুৰীয়ে কয়, যে প্ৰথম অৱস্থাত ২০৩০ চনৰ ভিতৰত পৰম্পৰাগত ইন্ধনৰ সৈতে ২০ শতাংশ জৈৱ ইন্ধন মিহলি কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছিল যদিও এতিয়া এই সময়সীমা ২০২৫ চনলৈ আগুৱাই অনা হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে অসমৰ ভাৰতীয় তেল নিগম লিমিটেডৰ চৌহদত পৌৰ আৱৰ্জনাৰ পৰা জৈৱ ইন্ধন উৎপাদনৰ বাবে সুকীয়া গৱেষণা শাখা স্থাপনৰ কথা ঘোষণা কৰে।

এই বিষয়ভিত্তিক সত্ৰত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে ভাৰতৰ তৈল উদ্যোগ খণ্ডত অসমে অগ্ৰণী ভূমিকা পালন কৰি আহিছে। বৃহৎ পৰিমাণৰ হাইড্ৰ'কাৰ্বন সংৰক্ষণ আৰু দক্ষ লোকৰ জৰিয়তে ভাৰতৰ শক্তিখণ্ডত অসমে গুৰুত্বপূৰ্ণ স্থান দখল কৰি আহিছে। ভাৰতৰ শক্তিখণ্ডৰ মানচিত্ৰত অসমৰ স্থানৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰগৰাকীয়ে কয়, যে দেশৰ মুঠ প্ৰাকৃতিক গেছৰ ১২ শতাংশ অসমতে উপলব্ধ। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সেউজ শক্তিৰ লক্ষ্যক বাস্তৱায়িত কৰি তোলাৰ বাবে অসম চৰকাৰ দৃঢ়প্ৰতিজ্ঞ।

০০০০০

দেশৰ নৱৰত্ন কোম্পানীৰ অন্যতম - অইল ইণ্ডিয়া লিমিটেডে এডভাণ্টেজ অসমৰ দ্বিতীয় সংস্কৰণত অসম চৰকাৰৰ সৈতে কেইবাখনো বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। আমাৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰৰ সৈতে হোৱা আচুতীয়া সাক্ষাৎকাৰত অইল ইণ্ডিয়া লিমিটেডৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক ড০ ৰঞ্জিত ৰথে এই বিষয়ে প্ৰকাশ কৰি কয় যে অইলে গুৱাহাটীকে ধৰি অসমৰ পাঁচখন নগৰত নগৰীয়া গোটা আৱৰ্জনাৰ পৰা উচ্চ চাপযুক্ত জৈৱ গেছ উৎপাদন প্ৰকল্প স্থাপন কৰিব। তিনিচুকীয়া নগৰত স্থাপন কৰিবলগীয়া প্ৰথমটো এনে প্ৰকল্পৰ বাবে নিবিদা জাৰি কৰা হৈছে আৰু পৰৱৰ্ত্তী দুবছৰৰ ভিতৰত এই প্ৰকল্পৰ পৰা উৎপাদন আৰম্ভ হ'ব।

ইয়াৰ উপৰি অইল ইণ্ডিয়াই অসম শক্তি উন্নয়ন নিগমৰ সৈতে অসমত এটা ভূগৰ্ভৰ পৰা তাপবিদ্যুৎ শক্তি উৎপাদন প্ৰকল্প স্থাপনৰ বাবে আন এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিছে। অসমত সেউজীয়া হাইড্ৰ'জেনচালিত বিদ্যুৎ কেন্দ্ৰ স্থাপনৰ ক্ষেত্ৰতো অইল ইণ্ডিয়াই অসম চৰকাৰৰ সৈতে আন এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে বুলি ড০ ৰথে জানিবলৈ দিয়ে। **ঃবাইটঃ**

০০০০০

ভূটানৰ কৃষি মন্ত্ৰী য়ুনটেন ফুণ্টছ'ৰ নেতৃত্বত দেশখনৰ ১১গৰাকী সদস্যৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলে আজি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক ৰাজভৱনত সাক্ষাৎ কৰে। এই সাক্ষাৎকালত ৰাজ্যপালগৰাকীয়ে ভূটানৰ সৈতে অসমৰ সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্কৰ বিষয়ে উল্লেখ কৰি কয় যে কেইবা শতিকাজুৰি অসম আৰু ভূটানে সাংস্কৃতি, ঐতিহাসিক আৰু অৰ্থনৈতিক বিনিময়ৰ মাধ্যমেৰে এই সম্পৰ্ক বৰ্তাই ৰাখি আহিছে। ভাৰত আৰু ভূটানে পৰস্পৰৰ দূৰদৰ্শী নেতৃত্বৰ প্ৰতি গভীৰভাৱে শ্ৰদ্ধা প্ৰদৰ্শন কৰি আহিছে বুলিও শ্ৰীআচাৰ্যই উল্লেখ কৰে। এই প্ৰসঙ্গতে তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভূটানৰ ৰজা জিগমে খেচাৰ নামগ্যাল ৱাংচুকৰ নেতৃত্বৰ বিষয়ে উল্লেখ কৰে। ৰাজ্যপালগৰাকীয়ে প্ৰতিনিধিসকলক পৰৱৰ্তী সময়তো পৰ্যটন বিশেষকৈ আধ্যাত্মিক পৰ্যটনৰ প্ৰসাৰৰ বাবে পাৰস্পৰিক স্বাৰ্থজড়িত বিষয়সমূহক প্ৰাধান্য দিবলৈ আহ্বান জনায়। অসমৰ চৰকাৰী চিকিৎসা মহাবিদ্যালয়ত ভূটানৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ৫খনকৈ আসন সংৰক্ষণ কৰাৰ বিষয়ে উল্লেখ কৰি ৰাজ্যপালগৰাকীয়ে কয় যে এই পদক্ষেপে প্ৰতিবেশী ৰাষ্ট্ৰখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক আৰু দক্ষতা বিকাশৰ প্ৰতি ৰাজ্যখনৰ সদিচ্ছাকে প্ৰতিফলিত কৰিছে। শ্ৰীআচাৰ্যই জৈৱিক কৃষিৰ ক্ষেত্ৰত ভূটানে আৰোপ কৰা গুৰুত্বৰ কথাও উল্লেখ কৰে। ভূটানৰ মন্ত্ৰীগৰাকীয়ে ৰাজ্যপাল শ্ৰী,আচাৰ্যক গেলেফুৰ মাইণ্ড ফুলনেছ চিটী প্ৰকল্পৰ বিষয়ে অৱগত কৰি ইয়াৰ পৰা অসমে লাভ কৰিবলগীয়া সুবিধা সম্পৰ্কে জানিবলৈ দিয়ে।

০০০০০

এডভাণ্টেজ অসমৰ দ্বিতীয় সংস্কৰণৰ অংশ হিচাপে আজিও বিভিন্ন জিলাত প্ৰশাসনে কেইবাখনো বুজাবুজি চুক্তিত স্বাক্ষৰ কৰে। গোলাঘাট জিলাত আজি প্ৰশাসনে বিনিয়োগকাৰী প্ৰতিষ্ঠানৰ সৈতে ৩৪২খন বুজাবুজি চুক্তিত স্বাক্ষৰ কৰে। জিলাখনত ১৬৭ কোটি ২৫ লাখ টকা বিনিয়োগ কৰা হ'ব। আজি ৮৯ লাখ টকাৰ তিনিটা বিত্তীয় অনুমোদন মঞ্জুৰ কৰা হৈছে। আজি জিলা আয়ুক্তৰ উপস্থিতিত নিবনুৱা সংস্থাপন, হস্ততাঁত আৰু বস্ত্ৰশিল্প, সাঁচি গছৰ খেতি, মীন পালনকে ধৰি কেইবাটাও খণ্ডৰ বাবে এই চুক্তিসমূহ স্বাক্ষৰিত হয়। এই অনুষ্ঠানতে জিলা আয়ুক্তই মুখ্যমন্ত্ৰীৰ উদ্যমিতা আঁচনিৰ অধীনত মহিলা আত্ম-সহায়ক গোটসমূহক ১৫০ কোটি টকা অনুমোদন দিয়া হ'ব বুলি উল্লেখ কৰে।

লখিমপুৰ জিলাত ৭১গৰাকী উদ্যোগীয়ে কালি আৰু আজি ৯৭ কোটি টকাৰো অধিক ধন বিনিয়োগৰ বাবে চুক্তি স্বাক্ষৰ কৰিছে। ইয়াৰ দ্বাৰা আন্তঃগাঁথনি বিকাশ আৰু কৰ্মসংস্থাপন সৃষ্টিত সুবিধা হ'ব বুলি আশা কৰা হৈছে। আজিৰ অনুষ্ঠানত জিলাখনৰ আয়ুক্তই ১১গৰাকী উদীয়মান উদ্যমীক ৪৭ লাখ ৭৮ হাজাৰ টকাৰ ঋণ বিতৰণ কৰে।

তিনিচুকীয়া জিলাত আজি ৪৩গৰাকী বিনিয়োগকাৰীয়ে ১৮৬ কোটি ৮৯ লাখ টকা বিনিয়োগৰ বাবে চুক্তিত স্বাক্ষৰ কৰিছে। কালিও ৪১জন উদ্যমীয়ে ২৬৯ কোটি ৭৫ লাখ টকা বিনিয়োগৰ বাবে জিলা আয়ুক্তৰ সৈতে চুক্তি স্বাক্ষৰ কৰিছিল। আজি স্বাক্ষৰ হোৱা চুক্তি অনুসৰি নতুন উদ্যোগসমূহত এহেজাৰ ৮৬জন কৰ্মচাৰীৰ প্ৰত্যক্ষ নিযুক্তিৰ সুবিধা সৃষ্টি হ'ব। দুয়ো দিনৰ চুক্তি অনুসৰি দুহেজাৰ ২০০তকৈও অধিক প্ৰত্যক্ষ সংস্থাপনৰ সৃষ্টি হ'ব বুলি আশা কৰা হৈছে। চুক্তি স্বাক্ষৰ কৰা ৮৩গৰাকী উদ্যমীৰ ভিতৰত সৰ্বাধিক ২১গৰাকীয়ে

কৃষি আৰু খাদ্য প্ৰসংস্কৰণ খণ্ডত ৯৬ কোটি ১৪ লাখ টকা বিনিয়োগ কৰিব। অৱশ্যে পুঁজিৰ আধাৰত কাঠৰ পৰা সামগ্ৰী উৎপাদন কৰা উদ্যোগত সৰ্বাধিক ৮৮ কোটি ১৫ লাখ টকা বিনিয়োগড়ৰ প্ৰস্তাৱ আহিছে। জিলাখনত ১৩জন উদ্যমীয়ে চাহ উদ্যোগ খণ্ডত ৫২ কোটি ৭৩ লাখ টকা বিনিয়োগৰ প্ৰস্তাৱ দিছে।

যোৰহাট জিলাতো আজি জিলা আয়ুক্তৰ উপস্থিতি ১৮গৰাকী উদ্যোগীয়ে ৩৬ কোটি টকাৰো অধিক ব্যয়সাপেক্ষ চুক্তিত স্বাক্ষৰ কৰে।

ooooo

মহা শিৱৰাত্ৰি উপলক্ষে আজি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দেৱাদিদেৱ মহাদেৱৰ আৰাধনা কৰা হৈছে। শিৱসাগৰৰ ঐতিহাসিক শিৱদৌল, তেজপুৰৰ মহাভৈৰৱ মন্দিৰ, গুৱাহাটীৰ শুক্ৰেশ্বৰ মন্দিৰ, পামহিৰ ভীমাশংকৰ মন্দিৰ, সোমনাথ মন্দিৰ, নগাঁৱৰ মৃত্যুঞ্জয় মন্দিৰ, নেঘেৰীটিঙকে ধৰি বিভিন্ন স্থানত আজি যথাৰীতি আশুতোষৰ আৰাধনা কৰা হয়। শিৱসাগৰৰ ঐতিহাসিক শিৱদৌল প্ৰাংগণত মহা শিৱৰাত্ৰি পূজা আৰু মেলা কালিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। মহাদেৱৰ পূজা-অৰ্চনাৰ বাবে শিৱদৌলত আজি পুৱাৰে পৰা হাজাৰ হাজাৰ ভক্তৰ আগমন ঘটিছে। যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়ে আজি পুৱা শিৱদৌলত পূজা-অৰ্চনা কৰে। জিলা প্ৰশাসনে অগণন লোকৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি পূজা নিয়াৰিকৈ পৰিচালনাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। শিৱৰাত্ৰিৰ লগত সংগতি ৰাখি প্ৰতিবছৰৰ দৰে এইবাৰো বৃহৎ মেলাৰ আয়োজন কৰা হৈছে। মেলাত ৫০০ৰো অধিক ব্যৱসায়িক প্ৰতিষ্ঠানে অংশ লৈছে বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে। জিলাখনত পৰহিলৈ এই কাৰ্যসূচীৰ অন্ত পৰিব। শিৱৰাত্ৰিৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনে কাইলৈ স্থানীয় বন্ধৰ দিন হিচাপে ঘোষণা কৰিছে।

তিনিচুকীয়া নগৰৰ মাকুম পথত থকা শিৱ থান, বৰডুবিৰ টিলিঙা মন্দিৰত অগণন ভক্তই শিৱৰাত্ৰিৰ পূজা কৰে। নগাঁও জিলাৰ সাৰ্বজনীন শিৱমন্দিৰত আজিৰে পৰা তিনিদিনীয়াকৈ শিৱৰাত্ৰি পালন কৰা হৈছে। নগাঁও চহৰৰ মালভোগবাবা আশ্ৰম শিৱমন্দিৰ, কলংপাৰ শিৱমন্দিৰৰ উপৰি অন্যান্য স্থানত শিৱৰাত্ৰিৰ পূজাৰ আয়োজন কৰা হৈছে।

গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত থকা শিৱ মন্দিৰসমূহত আজি পুৱাৰে পৰা বন্তি, ধূপ-ধূনা আৰু নৈবদ্যৰে দেৱাদিদেৱ মহাদেৱৰ আৰাধনা কৰা হয়। গুৱাহাটী মহানগৰীৰ ঐতিহাসিক শ্ৰীশ্ৰীলংকেশ্বৰ ধামত আজি শিৱ চতুদৰ্শী তিথিৰ সৈতে সংগতি ৰাখি মহাশিৱৰাত্ৰি পূজা আৰু মহামেলা উৎসৱৰ আয়োজন কৰা হৈছে।

গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তত শিৱপূজাৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। জিলাখনৰ ঐতিহাসিক পাগলাৰটেক শিৱ মন্দিৰত কালিৰে পৰা চাৰিদিনীয়াকৈ বিস্তৃত কাৰ্যসূচীৰে শিৱৰাত্ৰি পালন কৰা হৈছে। কালি অধিবাসৰ জৰিয়তে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। প্ৰবাদ অনুসৰি চান্দ সদাগৰৰ দিনৰ পৰা এই মন্দিৰত শিৱপূজা চলি আহিছে।

বজালী জিলাৰ কালদিয়া নদীৰ পাৰত থকা প্ৰায় ২১৩ বছৰ পুৰণি বটবৃক্ষৰ তলত থকা শিৱ থানত আজি অঞ্চলটোৰ ৰাইজে শিৱৰাত্ৰি উপলক্ষে পূজা-অৰ্চনা কৰে।

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ অসম-মেঘালয় সীমান্তৱৰ্তী হেলিডেগঞ্জৰ পাগলাবাবা থান শিৱমন্দিৰতো শিৱৰাত্ৰি উপলক্ষে ভক্তসকলে পূজা-অৰ্চনা কৰে।

০০০০০

দ্বিতীয় এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ বাবে অহা দেশী-বিদেশী বিনিয়োগকাৰীসকলে অসমৰ বিভিন্ন স্থান পৰিদৰ্শন কৰিছে। ছিংগাপুৰৰ ৰাষ্ট্ৰদূত আৰু উচ্চ পদস্থ ব্যৱসায়িক প্ৰতিনিধিৰ এটা দলে আজি মৰিগাঁও জিলাৰ জাগীৰোডত নিৰ্মীয়মান টাটা ছেমি কণ্ডাক্টৰ প্ৰকল্প পৰিদৰ্শন কৰে। ইয়াৰ পূৰ্বে মালয়েছিয়া, দক্ষিণ কোৰিয়া আৰু টাইৱানৰ প্ৰতিনিধিসকলেও এই প্ৰকল্প পৰিদৰ্শন কৰে। দক্ষিণ কোৰিয়াৰ প্ৰতিনিধিৰ এটা দলে আজি পবিতৰা অভয়াৰণ্যত হাতী ছাফাৰী কৰে। বিদেশৰ প্ৰতিনিধি দলসমূহে শুৱালকুছিৰ বস্ত্ৰ শিল্প পৰিদৰ্শন কৰাৰ উপৰি কামাখ্যা মন্দিৰকে ধৰি গুৱাহাটীৰ প্ৰসিদ্ধ স্থানসমূহ প্ৰত্যক্ষ কৰে।

০০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ আজি লাহোৰৰ গাড্ডাফী ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-বিৰ এখন খেলত আফগানিস্তানে ইংলেণ্ডক জয়ৰ বাবে ৩২৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। আফগানিস্তানে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ৭ উইকেটৰ বিনিময়ত ৩২৫ ৰাণ সংগ্ৰহ কৰে। দলটোৰ হৈ ইব্ৰাহিম জাড্ৰানে সৰ্বাধিক ১৭৭ ৰাণ কৰে। ইংলেণ্ডৰ জ'ফ্ৰা আৰ্চাৰে ৩টা উইকেট দখল কৰাৰ লগতে লিয়াম লিভিষ্টংনে দুটা উইকেট দখল কৰে।

আমাৰ এই বাতৰি যুগুতোৱাৰ পৰলৈকে ইংলেণ্ডে ২ অভাৰ এটাও উইকেট নেহেৰুৱাকৈ ১৪ ৰাণ কৰি খেলি আছে। আজিৰ খেলখনত পৰাজিত হোৱা দলটো প্ৰতিযোগিতাৰ পৰা বাহিৰ হ'ব।

০০০০০

সমাপ্ত